# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date : 02-10-2025**
**Time : 1205 Hrs**

## ***<u>Assamese Mid-day Bulletin</u>***

জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৭ সংখ্যক আৰ্বিভাৱ মহোৎসৱ উপলক্ষে আজি পুৱাৰে পৰা ৰাজ্যৰ সত্ৰ-নামঘৰসমূহ হৰিনামৰ পৱিত্ৰ ধ্বনিৰে মুখৰ হৈ উঠিছে। কোচবিহাৰৰ মধুপুৰ সত্ৰত শ্ৰীমন্ত শংকৰদেৱৰ জয়ন্তী প্ৰভাতী কীৰ্তনেৰে শুভাৰম্ভ কৰা হয়।

সত্ৰপীঠ মাজুলীত গুৰুজনাৰ জন্মোৎসৱ উপলক্ষে নাম-প্ৰসংগকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে। সত্ৰ আৰু নামঘৰসমূহৰ সমান্তৰালকৈ আঞ্চলিক ধৰ্মালোচনা সভাসমূহৰ উদ্যোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে গুৰুজনাৰ জয়ন্তী পালন কৰা হৈছে। গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা সত্ৰতো আজি ৫৭৭ সংখ্যক জয়ন্তী উপলক্ষে বিভিন্ন কাৰ্যসূচী লোৱা হৈছে।

সত্ৰ নগৰী বৰপেটাকে ধৰি ৰাজ্যৰ আন বিভিন্ন স্থানতো ভিন ভিন সত্ৰ-নামঘৰ আদিত মহাপুৰুষ জনাৰ জয়ন্তী উপলক্ষে নাম-কীৰ্তনেৰে পৱিত্ৰ পৰিৱেশে বিৰাজ কৰিছে।

০০০০০০০

আজি শাৰদীয় দুৰ্গোৎসৱৰ বিজয়া দশমী। ষষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱীৰ আজি দশমী আৰু অপৰাজিতা পূজা সম্পন্ন কৰাৰ পাছত নৱপত্ৰিকা বিসৰ্জন প্ৰক্ৰিয়া সম্পন্ন হ'ব। অৱশ্যে বিভিন্ন স্থানত কাইলৈহে দেৱীৰ মৃন্ময় প্ৰতিমা বিসৰ্জন দিয়া হ'ব।

**গুৱাহাটী** মহানগৰীত আজিৰে পৰা বিসৰ্জনৰ ব্যৱস্থা কৰা হৈছে। বিসৰ্জন প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ বাট পথসমূহত যান-যটৰ সমস্যা লাঘৱ কৰাৰ বাবে যান বাহন আৰক্ষীয়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটীত এইবাৰ ৫ শতাধিক পূজা সম্পন্ন হোৱা হেতুকে পৰ্যায়ক্ৰমে প্ৰতিমাসমূহ বিসৰ্জন দিয়া হ'ব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে।

ৰাজ্যৰ আন জিলাসমূহতো আজি শৃংখলাবদ্ধতা তথা পৰম্পৰাগত ৰীতি-নীতিৰে কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে দেৱী বিসৰ্জনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে।

০০০০০০০

জাতিৰ পিতা মহাত্মা গান্ধীৰ জয়ন্তী উপলক্ষে আজি সমগ্ৰ দেশে মহান নেতাগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে মহাত্মা গান্ধীৰ ১৫৬ সংখ্যাক জয়ন্তী উপলক্ষে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি দিয়া বাৰ্তাত কয়, যে গান্ধীজীয়ে দিয়া শান্তি, সহনশীলতা আৰু সত্যৰ বাৰ্তা সমগ্ৰ মানৱজাতিৰ বাবে প্ৰেৰণা। অস্পৃশ্যতাৰ দৰে বিভিন্ন সামাজিক কু-সংস্কাৰ আঁতৰ কৰাৰ লগতে দুৰ্বল শ্ৰেণীক শক্তি আৰু সমৰ্থন আগবঢ়াবলৈ গান্ধীজীয়ে অহোপুৰুষাৰ্থ কৰিছিল বুলি তেওঁ মন্তব্য কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গান্ধী জয়ন্তী উপলক্ষে মহাত্মা গান্ধীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰিছে। তেওঁ কয়, যে গান্ধীজী সেৱা আৰু সহানুভূতিৰে জনসাধাৰণক সবলীকৰণৰ ওপৰত গুৰুত্ব দিছিল।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি গান্ধী জয়ন্তী উপলক্ষে প্ৰাৰ্থনা সভাকে ধৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়।

0000000

প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ জয়ন্তী উপলক্ষে আজি শ্ৰদ্ধা নিবেদন কৰা হৈছে। ১৯৬৪ৰ পৰা ১৯৬৬ চনলৈ দেশৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা লাল বাহাদুৰ শাস্ত্ৰীয়ে দুগ্ধ বিপ্লৱৰ সূচনা কৰিছিল। কৃষি আৰু কৃষকসকলৰ উন্নয়নৰ হকে প্ৰচেষ্টা লোৱা প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশত সেউজ বিপ্লৱৰ সূচনা কৰাতো অগ্ৰনী ভূমিকা লৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰয়াত নেতাগৰাকীৰ স্মৃতিত শ্ৰদ্ধা জনাই কয়, যে জয় জোৱান, জয় কিষান ধ্বনিৰে তেওঁ জনগণৰ মনত দেশাত্মবোধৰ চেতনা জগাই তুলিছিল।

0000000

শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত এছ আই টিয়ে গ্ৰেপ্তাৰ কৰা শ্যামকানু মহন্ত আৰু শিল্পীজনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক ১৪ দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ চৰজমিন তদন্ত কৰিবলৈ অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ এটা দল শীঘ্ৰেই ছিংগাপুৰলৈ যাব বুলি এছ আই টিক নেতৃত্ব দিয়া শীৰ্ষ আৰক্ষী বিষয়া মুন্না প্ৰসাদ গুপ্তাই প্ৰকাশ কৰিছে। তেওঁ কয় যে পাৰস্পৰিক আইনী সহায়তা চুক্তি অনুসৰি দলটোৱে ছিংগাপুৰত গৈ তদন্ত কৰিব। তেওঁ লগতে শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ পৰা সকলো ধৰণৰ ইলেকট্ৰনিক সামগ্ৰী তথা অন্যান্য নথিপত্ৰ জব্দ কৰা হৈছে বুলি জানিবলৈ দিয়ে।

0000000

কেন্দ্ৰীয় মন্ত্ৰীসভাই ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কলিয়াবৰ-নুমলীগড় অংশৰ সম্প্ৰসাৰণ কৰি চাৰিলেনলৈ উন্নীত কৰাৰ বাবে অনুমোদন জনাইছে। মুঠ ৬ হাজাৰ ৯৫৭ কোটি টকা ব্যয়ৰে এই ৮৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা সম্প্ৰসাৰণ কৰা হ'ব।

000000

যোৰহাট জিলাৰ টীয়ক ভগামুখত আজি পুৱতি নিশা আৰক্ষীৰ এখন বাহনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষৰ গছত খুন্দা মৰাৰ ফলত দুৰ্ঘটনাত পতিত হৈ এজন আৰক্ষী বিষয়া থিতাতে মৃত্যু হয়। দুৰ্ঘটনাত মৃত্যু হোৱা আৰক্ষী বিষয়াজন ভগামুখ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সত্যেন্দ্ৰ মালাকাৰ বুলি জানিব পৰা গৈছে। এই দুৰ্ঘটনাত একেখন আৰক্ষী চকীৰে ৫ গৰাকী আৰক্ষীসহ উপ-পৰিদৰ্শক মৰমী নাথ গুৰুতৰভাৱে আহত হয়। আহত আটাইকেইজন আৰক্ষীকে যোৰহাট চিকিৎসা মহাবিদ্যালয় ভৰ্তি কৰোৱা হৈছে।

0000000

**আই চি চি মহিলাৰ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ইন্দোৰৰ হোলকাৰ ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ডিফেণ্ডিং চেম্পিয়ন অষ্ট্ৰেলিয়াই নিউজিলেণ্ডক ৮৯ ৰানত পৰাস্ত কৰে। প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লোৱা অষ্ট্ৰেলিয়াই ৪৭ অভাৰ ৩ টা বলত ৩২৬ ৰাণ সংগ্ৰহ কৰে। এছলেই গাৰ্ডনাৰে সৰ্বাধিক ১১৫ ৰান সংগ্ৰহ কৰে।**

আজি কলম্বোৰ আৰ প্ৰেমদাছা হবলগীয়া প্ৰতিযোগিতাৰ এখন খেলত ষ্টেডিয়ামত বাংলাদেশ পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৩ বজাৰ পৰা আৰম্ভ হ'ব।

০০০০০০০

**সমাপ্ত**